# অসমীয়া লোক সাহিত্যৰ বুৰঞ্জী উন্মোচন

## সাহিত্য সভাৰ তৃতীয় 'স্বদেশ-স্বাভিমান' অনুষ্ঠান সম্পন্ন




'অসমীয়া লোক সাহিত্যৰ বুৰঞ্জী' উন্মোচন কৰিছে সভাৰ সভাপতি ড° শইকীয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকত্ৰয় ড° তৰণী ডেকা, ড° বিমল তালুকদাৰ আৰু ড° কনক চন্দ্ৰ চহৰীয়াই। একেবাৰে সোঁপিনে সভাৰ প্ৰকাশন আহ্বায়ক দেৱজিৎ বৰা।

অসম সাহিত্য সভাৰ উদ্যোগত অসম গ্ৰন্থমেলাৰ মঞ্চত ২ জানুৱাৰি, ২০২২ খ্ৰীষ্টাব্দ তাৰিখে আবেলি ৩-০০ বজাত 'স্বদেশ-স্বাভিমান'ৰ তৃতীয় অধ্যয় অনুষ্ঠিত হয়। অসমৰ সামাজিক আৰু অৰ্থনৈতিক দিশৰ তাৎপৰ্যপূৰ্ণ সমলসমূহ সম্বন্ধে নিৰ্ধাৰিত সময়ৰ ভিতৰত তৰুণ প্ৰতিভাশালী যুৱক-যুৱতীয়ে সুদক্ষ বাগ্মীতাৰে ৰাজ্যখনৰ বিভিন্ন ঠাইত আৰু বিশেষকৈ অসমৰ বাহিৰত আদৰ্যনীয়ভাৱে উপস্থাপন কৰাটো সুনিশ্চিত কৰিবলৈ অসম সাহিত্য সভাই এই অনুষ্ঠানটিৰ সূচনা কৰিছে।

এই অনুষ্ঠানত অসমৰ নতুন প্ৰজন্মৰ কেইগৰাকীমান বক্তাই বিভিন্ন বিষয়ত পাঁচমিনিটকৈ বক্তব্য প্ৰদান কৰে। বক্তা আৰু বিষয়সমূহ ঃ উন্মীলন কলিতা ('অসমীয়া সত্তা ঃ এক চমু আলোচনা'), ত্ৰিদিৱ ভাগৱতী ('ভাত থাকিলেহে মাত'), কল্লোল কাশ্যপ ('অসমীয়া সমাজত নাৰীৰ স্থান'), গুঞ্জন দাস ('অসমৰ জাতীয় জীৱনত খাদ্য প্ৰণালী'), ঝৰ্ণা ভড়ালী ('অসমীয়া বস্ত্ৰ সম্ভাৰ আৰু অলংকাৰ'), কিৰণ কৌশিক হাজৰিকা ('মধ্যযুগীয় অসমৰ সমৰ কলা'), ৰুমা বেগম ('অসম সাহিত্য সভা আৰু নৱ-প্ৰজন্ম')। অনুষ্ঠানৰ আঁত ধৰে বৰ্ণিল মেধি আৰু সুগন্ধি প্ৰাপ্তিয়ে। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁই, শিক্ষয়ত্ৰী চিন্ময়ী গোস্বামী আৰু সাংবাদিক মণ্টু শইকীয়া।

অনুষ্ঠানৰ আৰম্ভণিতে অসম সাহিত্য সভা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত প্ৰকাশিত 'অসমীয়া লোক সাহিত্যৰ বুৰঞ্জী' গ্ৰন্থখনিৰ পাঁচটা খণ্ড আনুষ্ঠানিক উন্মোচিত কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। অসম সাহিত্য সভাৰ প্ৰকাশন আহ্বায়ক দেৱজিৎ বৰাই আদৰণি ভাষণ দিয়া অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকত্ৰয় ড° তৰণী ডেকা, ড° বিমল তালুকদাৰ আৰু ড° কনক চন্দ্ৰ চহৰীয়া উপস্থিত থাকি ভাষণ আগবঢ়ায়। পাঁচটা খণ্ডৰ এই গ্ৰন্থখনিৰ মুখ্য সম্পাদক বিশিষ্ট লোক-সংস্কৃতি পণ্ডিত-গৱেষক, সভাৰ অন্যতম সদস্য মহীয়ান ড° নবীন চন্দ্ৰ শৰ্মা। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অসম সাহিত্য সভাৰ সচিব চন্দন শৰ্মাই।